# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-02-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মানৱতাৰ সেৱা সৰ্বোচ্চ ৰাষ্ট্ৰীয় কৰ্তব্য আৰু সামাজিক দায়িত্ব বুলি ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই প্ৰকাশ কৰিছে। লোক সেৱা ভৱনে সেৱা সংকল্প সপ্তাহৰ অধীনত আজি গুৱাহাটীৰ জাহাজঘাট নিম্ন প্ৰাথমিক বিদ্যালয়ত আয়োজন কৰা স্বাস্থ্য শিবিৰত অংশ গ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে এনেধৰণৰ উদ্যমে দেশৰ সমূহীয়া কল্যান আৰু পৰিচৰ্যাৰ প্ৰমূল্যবোজিকে প্ৰতিফলিত কৰে। সৰ্বাত্মক উন্নয়নৰ ক্ষেত্ৰত আৰোপ কৰা গুৰুত্বৰ বিষয়ে আলোকপাত কৰি ৰাজ্যপালগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভৱিষ্যদৰ্শী দৃষ্টিভংগীৰ অধীনত সমগ্ৰ দেশত স্বাস্থ্য সেৱাৰ আমূল পৰিৱৰ্তন হৈছে আৰু স্বাস্থ্য সেৱা সুলভ কৰি তোলাৰ লগতে প্ৰতিৰোধমূলক পৰিচৰ্যা আৰু ৰাইজৰ অংশগ্ৰহণত গুৰুত্ব আৰোপ কৰা হৈছে। শ্ৰীআচাৰ্যই লগতে জনসাধাৰণক পৰিষ্কাৰ -পৰিচ্ছন্নতা, সুষম পৰিপুষ্টি, নিয়মীয়া শাৰিৰীক গতিবিধি আৰু মানসিক কল্যানকে ধৰি প্ৰতিকাৰমূলক স্বাস্থ্য অভ্যাস আকোৱালি লবলৈ আহ্বান জনায়। ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, স্বাস্থ্য কৰ্মী, আশাকৰ্মী আৰু স্বেচ্ছাসেৱকসকলৰ প্ৰচেষ্টাৰ শলাগ লৈ ৰাজ্যপালগৰাকীয়ে জনসাধাৰণ কেন্দ্ৰিক উদ্যমে ভৱিষ্যতে অসমত তৃণমূল পৰ্যায়ৰ স্বাস্থ্য সেৱা ব্যৱস্থা শক্তিশালী কৰি তুলিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত তেওঁ দিব্যাংগসকলৰ মাজত হুইল চেয়াৰ আৰু যক্ষ্মা ৰোগীক পৰিচৰ্যা কৰা সকলৰ মাজত নিক্ষয় মিত্ৰ কীট বিতৰণ কৰে।

ooooo

বি টি চিৰ এদিনীয়া বাজেট অধিবেশন আজি কোকৰাঝাৰৰ বড়োফা নগৰৰ বিধায়িনী ভৱনত সম্পন্ন হয়। ত্ৰিদিপ দৈমাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত এই অধিবেশন প্ৰশ্নোত্তৰ শিতানেৰে আৰম্ভ হয়।

বাইট

প্ৰশ্নোত্তৰ কালত শাসকীয় আৰু বিৰোধী পক্ষৰ সদস্যসকলে জনস্বাস্থ্য কাৰিকৰী, ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীৰ কল্যাণ, হাতী-মানুহৰ সংঘাত, কৃষি, শিক্ষা, ৰাজহ আৰু ভূমিৰ সৈতে বিষয়সমূহক লৈ প্ৰশ্ন উত্থাপন কৰে। ইয়াৰ পাছত বি টি চিৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে সদনত ২০২৬ বৰ্ষৰ লেখানুদান দাখিল কৰে। ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ পৰা আবণ্টিত ধন আৰু বি টি চিৰ নিজস্ব ৰাজহ উৎসৰ পৰা সংগৃহীত ধনেৰে সাধাৰণ বাজেটৰ অধীনত ১০১ কোটি ২০ লাখ টকাৰ পৰিপূৰক দাবী মঞ্জুৰি উত্থাপন কৰা হয়। ইয়াৰ পাছতে সদস্যসকলে লেখানুদানক লৈ আলোচনা কৰে আৰু গ্ৰহণ কৰে। অধিবেশনত অধ্যক্ষই বাজেট অধিবেশনৰ বাবে বি টি চি বিধায়িনী সভাৰ কাৰ্যক্ৰমণিকা নিয়মাৱলীৰ ২৩০ নম্বৰ নিয়মৰ অধীনত কাৰ্যক্ৰমণিকা কমিটীৰ প্ৰতিবেদন ঘোষণা কৰে।

ooooo

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি নলবাৰীত শৰৎ চন্দ্ৰ গোস্বামী প্ৰেক্ষাগৃহৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন কৰি দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে কয় যে অসম সাহিত্য সভাই নৱ প্ৰজন্মক উপযুক্ত মঞ্চ প্ৰদান কৰিব লাগে। তেওঁ কয় যে সভাই নতুন লেখক - লেখিকা সৃষ্টিত আগভাগ লব লাগে। শৰৎ চন্দ্ৰ গোস্বামীৰ সাহিত্যকৰ্ম, সৃষ্টিৰাজি সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে বুলিও তেওঁ মন্তব্য কৰে। বিভিন্ন সংঘাটৰ মাজেৰে নিজৰ কৰ্মদক্ষতাৰ বলত অসম সাহিত্য সভাক মহিয়ান কৰা গোস্বামীৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ বাবে নলবাৰী জিলা সাহিত্য সভাৰ উদ্যোগত ১ কোটি ৭০ লাখ টকা ব্যয়সাপেক্ষে এই প্ৰেক্ষাগৃহটো নিৰ্মাণ কৰা হ'ব। অনুষ্ঠানত নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি বীৰেণ কুমাৰ চক্ৰৱৰ্তী, নলবাৰী পৌৰ সভাৰ পৌৰপতি জয়শ্ৰী তালুকদাৰ প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ যোৰহাটৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ খেলপথাৰত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত চেক বিতৰণ কৰিব। তেওঁ লগতে নৱ নিৰ্মিত অসম মহিলা বিশ্ববিদ্যালয়ৰ প্ৰাঙ্গনত বিভিন্ন প্ৰকল্পৰ উদ্বোধন কৰিব।

ooooo

অসম আৰক্ষীয়ে যোৱা নিশা বি এছ এফৰ সহযোগত আন্ধাৰৰ সুৰুঙা লৈ ৰাজ্যত প্ৰৱেশ কৰিব বিচৰা ২৫ জন বাংলাদেশী নাগৰিকক আটক কৰে আৰু অহা বাটেৰে ওভতাই পঠিয়ায়।

ooooo

ডিফু বালক উচ্চতৰ মাধ্যমিক খেলপথাৰত আজিৰে পৰা ৭ দিনীয়া কাৰ্যসূচীৰে ৰাজ্যিক উদ্যম সমাগম স্বদেশী মেলা অনুষ্ঠিত হৈছে। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে আজি এই মেলাৰ শুভাৰম্ভ কৰে। ২ মাৰ্চলৈ চলিবলগীয়া এই মেলাত স্থানীয় উদ্যমীসকলে ভালেসংখ্যক বিপনী স্থাপন কৰিছে।

ooooo

গোৱালপাৰা জিলাৰ বাইদাস্থিত শ্ৰীশ্ৰী ৰিচি আশ্ৰিত দোদান থানত আজিৰে পৰা তিনিদিনীয়াকৈ ৰাভা জনগোষ্ঠীৰ দোদান পূজা আৰু মেলা অনুষ্ঠিত হৈছে। জনগোষ্ঠীটোৰ পৰাক্ৰমী ৰজা দোদান আৰু তেওঁৰ সেনাপতি মাৰুক্ষেত্ৰীক সুঁৱৰি প্ৰতি বছৰে এই পূজা আৰু মেলাৰ আয়োজন কৰা হয়। এইবেলি ৫৬ সংখ্যক দোদান পূজা উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

ooooo

ঃঃ সমাপ্ত ঃঃ